[20-HKPGDEO-M4S(O)21J]

MA 4th Semester (Old) Exam., 2020

ASSAMESE

[MAS (S4) 14 (Lang)]

(ৰূপতত্ত্ব আৰু অসমীয়া ৰূপতত্ত্ব)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : ২×৫=১০

(ক) ভাষাবিদ E. A. Nida-ই Morphologyৰ কি সংজ্ঞা আগবঢ়াইছে?

(খ) দুগৰাকী ভাষাবিদে আগবঢ়োৱা ৰূপৰ সংজ্ঞা উল্লেখ কৰক।

(গ) বদ্ধ প্ৰাকৃতি কাক বোলে? উদাহৰণসহ বুজাই লিখক।

(ঘ) নাম-ধাতু প্ৰকৃতিৰ সংজ্ঞা দিয়ক।

(ঙ) ক্ৰিয়াবাচক অনুপদৰ উদাহৰণসহ সংজ্ঞা দিয়ক।

(চ) সুকুমাৰ সেনে আধুনিক বাংলা ভাষাৰ উপভাষা কেইটা আৰু কি কি বুলি কৈছে?

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) অক্ষৰৰ উদাহৰণসহ পৰিচয় দাঙি ধৰক।

(খ) সৰ্গ কাক বোলে? উদাহৰণসহ সৰ্গৰ শ্ৰেণীবিভাগ সম্পৰ্কে উল্লেখ কৰক।

(গ) কাৰক আৰু শব্দ-বিভক্তিৰ সম্পৰ্ক নিৰ্ণয় কৰক।

(ঘ) বাংলা ভাষাত নিৰ্দিষ্টতাবাচক প্ৰত্যয় কেনেদৰে ব্যৱহাৰ হয়? উদাহৰণসহ আলোচনা কৰক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) আকৃতি (Morph) বুলিলে কি বুজে? আকৃতিৰ শ্ৰেণীবিভাজন কৰি দেখুৱাওক।

(খ) শব্দসাধনমূলক সৰ্গ আৰু বিভক্তিমূলক সৰ্গৰ তুলনামূলক আলোচনা কৰক।

(গ) অসমীয়া ভাষাত লিংগ নিৰ্ণয়ৰ উপায় সম্পৰ্কে বহলাই লিখক।

(ঘ) অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ শব্দ-বিভক্তি সম্পৰ্কে এটি তুলনামূলক আলোচনা আগবঢ়াওক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) ৰূপতত্ত্ব কাক বোলে? ৰূপতত্ত্বই সামৰি লোৱা বিষয়সমূহ সম্পৰ্কে বহলাই আলোচনা কৰক।

(খ) সৰ্গৰ গুণগত বিভাজন সম্পৰ্কে উদাহৰণসহ আলোচনা আগবঢ়াওক।

(গ) বিশেষণ কাক বোলে? বিশেষণৰ প্ৰকাৰসমূহ উল্লেখ কৰি উদাহৰণসহ বুজাই লিখক।

(ঘ) ধাতুৰ সংজ্ঞা উল্লেখনেৰে অসমীয়া ভাষাৰ ধাতুসমূহৰ শ্ৰেণীবিভাজন সম্পৰ্কে আলোচনা কৰক।

(ঙ) অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ উদ্ভৱ আৰু বিকাশৰ ইতিহাসক সামৰি এটি আলোচনা আগবঢ়াওক।

★★★